জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯১/২০২০

# ৰাজ্যৰ কেইবাগৰাকী প্ৰগতিশীল কৃষক, দুগ্ধ পালক ইত্যাদিৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়

**দিছপুৰ, ২০ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাৰ সভা কক্ষত ৰাজ্যখনৰ কেইবাগৰাকীও প্ৰগতিশীল কৃষক, দুগ্ধ পাম আৰু সমবায়ৰ লগত জড়িত ব্যক্তি, গাহৰি পালনৰ লগত জড়িত ব্যক্তি আৰু কৃষি তথা ইয়াৰ আনুষংগিক খণ্ডৰ লগত জড়িত উদ্ভাৱকৰ সৈতে মত-বিনিময় কৰে। বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে আমাৰ ৰাজ্যৰ অৰ্থনীতি কৃষিৰ ওপৰত নিৰ্ভৰশীল। সেয়েহে ক'ভিড-১৯ এ সৃষ্টি কৰা এই জটিল পৰিস্থিতিত ৰাজ্যখনৰ কৃষি আৰু আনুষংগিক খণ্ডক আমি আগুৱাই লৈ যাব লাগিব। ইয়াৰ অবিহনে আমাৰ ৰাজ্যৰ অৰ্থনীতিত বিৰূপ প্ৰভাৱ পৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইনত সামাজিক দূৰত্ব বজাই ৰাখি কৃষিকাৰ্য মুকলি কৰাৰ দিহা কৰিছে। এইখিনি সময়ত ৰাজ্য চৰকাৰেও কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা স্বাস্থ্য সন্মত বিধি-বিধান মানি চলি কৃষি তথা ইয়াৰ আনুষংগিক খণ্ডক আগুৱাই নিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। সেয়েহে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ প্ৰগতিশীল কৃষক, দুগ্ধ পালকৰ লগতে কৃষি আৰু ইয়াৰ আনুষংগিক খণ্ডৰ লগত জড়িত সকলোকে ৰাজ্যখনৰ কৃষি উৎপাদনৰ লগতে বজাৰ ব্যৱস্থা শক্তিশালী ৰূপত বৰ্তাই ৰখাৰ বাবে চৰকাৰৰ সৈতে সহযোগ কৰাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই লক ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ চাপ্লাই চেইনত আকস্মিকভাৱে উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে প্ৰথম অৱস্থাত সঠিক ৰূপত গঢ় লোৱা নাছিল। কিন্তু এই সময়ছোৱাতে ৰাজ্যখনে ইয়াৰ বজাৰৰ চাহিদা আৰু যোগানৰ দিশটো বিশ্লেষণ কৰাৰ সুযোগ লাভ কৰিছে। সেয়েহে ৰাজ্যখনৰ থলুৱা বজাৰৰ উপৰি আমাৰ ৰাহি হোৱা কৃষি উৎপাদন তথা অন্যান্য উৎপাদনখিনি উত্তৰ পূৰ্বাঞ্চলৰ আমাৰ প্ৰতিৱেশী ৰাজ্যৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ যেনে ভূটান, বাংলাদেশ, ম্যানমাৰ ইত্যাদিত উপলব্ধ কৰাৰ পৰিকল্পনা লব লাগিব। ইতিমধ্যে ৰাজ্যখনৰ প্ৰায় ৪.৫ লাখ বিভিন্ন ৰাজ্যত কৰ্মত নিয়োজিত যুৱক-যুৱতী লক ডাউনৰ পিছতে আমাৰ ৰাজ্যলৈ ঘূৰি আহিব। সেই যুৱক-যুৱতীসকলকো আমাৰ কৃষিৰ লগতে ইয়াৰ আনুষংগিক খণ্ডৰ দৰে বৃহৎ ক্ষেত্ৰত নিয়োজিত কৰোৱাৰ বাবে উৎসাহ প্ৰদান কৰিব লাগিব। ইয়াৰ বাবে আমাৰ বজাৰ ব্যৱস্থা, সামগ্ৰীৰ চাহিদা, বিপণন ইত্যাদিৰ দিশত এক বিজ্ঞান সন্মত জৰীপ কাৰ্য চলোৱাৰ ওপৰটো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে আমাৰ ৯৮ খন চহৰ আৰু গ্ৰামাঞ্চলৰ বজাৰ ব্যৱস্থা সামৰি এক ব্যাপক জৰীপ কাৰ্য চলোৱাৰ ওপৰটো গুৰুত্ব আৰোপ কৰে। ভিয়েটনামে কেৱল কৃষি অৰ্থনীতি আৰু ইয়াৰ বিপণন ব্যৱস্থা সুন্দৰভাৱে গঢ় দি এই ক্ষেত্ৰত বৃহৎ সফলতা লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ভিয়েটনামৰ দৰে আমাৰ কৃষি ব্যৱস্থাটো কৃষক, কৃষি বিজ্ঞানী আৰু কৃষি বিষয়াৰ মাজত এক সংহত আৰু সংঘবদ্ধ সম্পৰ্ক গঢ়ি তোলাৰ প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

অনুষ্ঠানত উপস্থিত থকা প্ৰগতিশীল কৃষক, দুগ্ধ সমবায়, গাহৰি পালন, কৃষি উদ্ভাৱক সকলে ৰাজ্যখনৰ কৃষি আৰু ইয়াৰ আনুষংগিক অৰ্থনীতি টনকিয়াল কৰাৰ দিশত চৰকাৰ ল'বলগীয়া বিভিন্ন ব্যৱস্থাৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

আলোকপাতেৰে পৰামৰ্শ আগবঢ়ায়। এই সমহৰ ভিতৰত কৃষি উৎপাদনৰ উপৰি কৃষি উৎপাদনৰ অপচয় ৰোধ কৰাৰ বাবে শীতল ভড়াঁল নিৰ্মাণ আৰু ব্যৱস্থাপনা, নিজৰ ৰাজ্যতে পশুধনৰ বাবে দানা উৎপাদনৰ প্ৰকল্প, অসমৰ থলুৱা উৎপাদনক ব্ৰেণ্ডেড কৰা, দুগ্ধ সংসাধন উদ্যোগ সক্ৰিয় কৰা, স্থানীয় উৎপাদনক উৎসাহিত কৰা ইত্যাদিৰ লেখীয়া পৰামৰ্শ আগবঢ়ায়। কৃষি খণ্ডক আগুৱাই নিয়াৰ বাবে চৰকাৰী পৰ্যায়ত এক সংহত ব্যৱস্থা লোৱাৰ বাবেও তেওঁলোকে আহ্বান জনায়।

আজিৰ এই বৈঠকত সীতাজখলা দুগ্ধ সমবায় সমিতি লিমিটেডৰ অধ্যক্ষ ৰাজীৱ শৰ্মা, উপাধ্যক্ষ পুষ্পধৰ দাস, পৰিচালন সঞ্চালক অমিয় কুমাৰ দাস, বিপণন উপদেষ্টা সত্যেন মহন্ত, দুগ্ধ পালক তথা মৰিগাঁৱৰ শৰ্মা দুগ্ধ পামৰ ড° মঞ্জিৎ শৰ্মা, প্ৰগতিশীল কৃষক বিকাশ ভৰালী, ভূমি বিজ্ঞানী তথা কৃষি উদ্যোগী ড° ভাস্কৰ শৰ্মা, অৰ্গেনিক ফাৰ্মাৰ নিলম দত্ত, বজালী দুগ্ধ উৎপাদন সমবায় সমিতিৰ সভাপতি শ্ৰীপদ চৌধুৰী, কনচালটেন্ট চাইনটিষ্ট আৰু এপিডেম'লজিষ্ট ভগৎলাল দত্ত, প্ৰগতিশীল কৃষক বিণেশ্বৰ বাগলাৰী, উদ্যোগী মনোজ কুমাৰ বসুমতাৰী উপস্থিত থাকে।

**বঃভাঃ**
**২০/৪/২০২০**